তাৰিখ : ২৯/১০/২০১৫

# অসম জাতীয় বিদ্যালয় সন্মান, ২০১৫

গুৱাহাটী, ২৯ অক্টʼবৰ, ২০১৫ : অসমৰ সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ব্যক্তিলৈ অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ তৰফৰপৰা "অসম জাতীয় বিদ্যালয় সন্মান" শীৰ্ষক এক বঁটা ২০১৪ বৰ্ষত প্ৰৱৰ্তন কৰা হৈছে। ২০১৫ বৰ্ষৰ এই সন্মানৰ বাবে ৰাজ্যখনৰ চাৰিগৰাকী বিশিষ্ট ব্যক্তিক নিৰ্বাচিত কৰা হৈছে। অজাবি ন্যাসে আজি এই ব্যক্তিসকলৰ নাম ঘোষণা কৰিছে। শৈক্ষিক, সাংস্কৃতিক, সামাজিক আদি বিভিন্ন দিশত নীৰৱে আৰু প্ৰচাৰ বিমুখভাৱে অক্লান্ত সেৱা আৰু অতুলনীয় অৱদান আগবঢ়োৱা এই ব্যক্তিকেইগৰাকী হৈছে — অসমৰ ভ্ৰাম্যমান নাট্য আন্দোলনৰ পুৰোধাব্যক্তি অচ্যুত লহকৰ, শিক্ষাবিদ আৰু ভাষা-সংস্কৃতিৰ বিশিষ্ট গৱেষক ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, বিশিষ্ট চিত্ৰশিল্পী আৰু কাহুদী খ্যাত কাৰ্টুনিষ্ট ত্ৰৈলোক্য দত্ত আৰু প্ৰতিভাশালী কলা-নিৰ্দেশক নুৰুদ্দিন আহমেদ। অহা ১ নৱেম্বৰ, ২০১৫ তাৰিখ দেওবাৰে নুনমাটিৰ অসম জাতীয় বিদ্যালয় চৌহদত আবেলি ৫ বজাত অনুষ্ঠিত হʼবলগীয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বিশিষ্ট ব্যক্তিকেইগৰাকীলৈ "অসম জাতীয় বিদ্যালয় সন্মান" প্ৰদান কৰা হʼব। এই সন্মানত প্ৰত্যেকৰ বাবে থাকিব প্ৰশস্তি পত্ৰ, স্মাৰক আৰু ২৫,০০০ টকা।

উল্লেখযোগ্য যে ২০১৪ বৰ্ষত প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা "অসম জাতীয় বিদ্যালয় সন্মান" প্ৰদান কৰা হৈছিল শিল্পী আদ্য শৰ্মা, অভিনেতা প্ৰিয় বৈশ্য, এথলীট দেৱযানী বড়া, ফুটবল খেলুৱৈ এলেন দেউৰী আৰু দুৰ্গা বড়োক।

এই বছৰৰ অসম জাতীয় বিদ্যালয় সন্মানৰ বাবে মনোনীত ভ্ৰাম্যমান থিয়েটাৰৰ জনক অচ্যুত লহকৰ বৰ্তমান অসুস্থ হৈ হাস্পাতালত ভৰ্তি হৈ থকাৰ পৰিপ্ৰেক্ষিতত তেখেতৰ বঁটা প্ৰদান প্ৰক্ৰিয়াটো সুবিধাজনক সময় আৰু স্থানত পিছত সম্পন্ন কৰা হʼব। অৱশ্যে অসুস্থ হোৱাৰ আগেয়েই ইতিমধ্যে শ্ৰীলহকৰ ডাঙৰীয়াক বঁটাৰ বাবে মনোনীত হোৱাৰ খবৰটো পৰিয়ালৰ যোগে জনোৱা হৈছিল। অজাবি ন্যাসে তেখেতৰ আশু আৰোগ্য কামনা কৰিছে।

*(দিলীপ কুমাৰ দত্ত চৌধুৰী)*
সভাপতি/কোষাধ্যক্ষ

*(ডʼ নাৰায়ণ শৰ্মা)*
*সচিব (অবৈতনিক)*

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাস